প্ৰেছ বিজ্ঞপ্তি

২৮ অক্টোবৰ, ২০১৬

## দেৱী গায়ত্ৰী কো-অপাৰেটিভ আৰবান বেংক লিমিটেড, হায়দৰাবাদ, টেলেংগানাৰ ওপৰত আৰ বি আইয়ে দণ্ড আৰোপ কৰিছে

ভাৰতীয় ৰিজাৰ্ভ বেংকে, দেৱী গায়ত্ৰী কো-অপাৰেটিভ আৰবান বেংক লিমিটেড, হায়দৰাবাদ, টেলেংগানাক, বেংকটোৰ সঞ্চালক আৰু তেওঁলোকৰ আত্মীয়ক আৰবিআইৰ নিৰ্দেশ আৰু নিৰ্দেশনামা উলংঘা কৰি ঋণ আৰু অগ্ৰিম ধন দিয়াৰ অপৰাধত, বেংকিং বিনিয়ম আইন,১৯৪৯ (সমবায় সমিতিৰ ক্ষেত্ৰতো প্ৰযোজ্য)ৰ ধাৰা ৪৬(৪) সমন্বিতে ধাৰা ৪৭ক(১)(খ) মতে প্ৰাপ্ত ক্ষমতা প্ৰয়োগ কৰি দেৱী গায়তী কো-অপাৰেটিভ আৰবান বেংক লিমিটেড, হায়দৰাবাদ, টেলেংগানাক ১ লাখ (এক লাখ) টকা অৰ্থদণ্ড বিহিছে।

ভাৰতীয় ৰিজাৰ্ভ বেংকে উক্ত বেংকটোক কাৰণ দৰ্শোৱাৰ জাননী দিছিল আৰু বেংকটোৱে তাৰ লিখিত উত্তৰ দিছিল। সেই লিখিত উত্তৰ আৰু ঘটনাটোৰ সকলো দিশ চালি-জাৰি চাই ৰিজাৰ্ভ বেংক এই সিদ্ধান্তলৈ আহে যে উলংঘন প্ৰমাণিত হৈছে আৰু শাস্তিমূলক ব্যৱস্থা গ্ৰহণযোগ্য হৈছে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি- ২০১৬-১৭/১০৬২**